# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 07-08-2025 **Time :**1800Hrs

## *Assamese Evening Bulletin*
--------------------

০০০০০০০০

লখিমপুৰ জিলা প্ৰশাসনে আজি নাওবৈচাৰ ফুকনদলনিৰ ২৩৪ বিঘা ভূমিত উচ্ছেদ চলায়। আৰক্ষী প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰা মতে উচ্ছেদ অভিযান সুকলমে সম্পন্ন হয়। প্ৰশাসনে ফুকনদলনিৰ ১১৪টা পৰিয়াললৈ জাননী জাৰি কৰিছিল। উচ্ছেদৰ পূৰ্বে ৯০ শতাংশ পৰিয়ালে নিজৰ বাসগৃহ খালী কৰি অইন স্থানলৈ আঁতৰি যায়। জিলাখনত ৩ হাজাৰ বিঘা ভূমি দখলমুক্ত কৰাৰ বাবে প্ৰশাসনে লক্ষ্য লৈছে।

ইপিন, গোলাঘাট জিলা প্ৰশাসন আৰু বন বিভাগ কাইলৈ পুৱাৰে পৰা মেৰাপানী সীমান্তৰ দৈয়াং বনাঞ্চলৰ ২ নম্বৰ নেঘেৰীবিলত উচ্ছেদ চলাব। প্ৰায় ৭০খন এস্কেভেটৰৰ লগতে কেইবা শতাধিক বন কৰ্মী, আৰক্ষী আৰু প্ৰশাসনৰ লোক উচ্ছেদ অভিযানৰ বাবে সাজু হৈছে। অঞ্চলটোত জাননী লাভ কৰা অধিকাংশ পৰিয়ালে উচ্ছেদৰ পূৰ্বে বয়-বস্তু সামৰি নেঘেৰীবিল ত্যাগ কৰিছে। ইপিনে, গুৱাহাটী উচ্চ ন্যায়ালয়ে ১৪ আগষ্ট পৰ্যন্ত উচ্ছেদ অভিযানৰ পৰা সকাহ প্ৰদান কৰা নেঘেৰীবিলৰ ৫৯টা পৰিয়ালক চিনাক্ত কৰাৰ উদ্দেশ্যে বন বিভাগে ঘৰে ঘৰে গৈ জৰীপ আৰম্ভ কৰিছে। বন বিভাগৰ লোকে প্ৰতিটো পৰিয়ালৰ দেৱালত ক্ৰমিক নম্বৰ লিখি ন্যায়ালয়ৰ পৰা সকাহ লাভ কৰা পৰিয়ালসমূহ চিনাক্ত কৰাৰ ব্যৱস্থা কৰিছে। উল্লেখযোগ্য যে নেঘেৰীবিলত উচ্ছেদ হবলগীয়া ২০৫টা পৰিয়ালৰ ভিতৰত ৭৪টা পৰিয়ালৰ লেখ আবেদনৰ শুনানি গ্ৰহণ কৰি মঙলবাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ে নেঘেৰীবিলৰ ৫৯টা আৰু নামবৰ বনাঞ্চলৰ ১৫টা পৰিয়াললৈ সাময়িকভাৱে সকাহ দিছিল আৰু পৰিয়ালকেইটাৰ বাবে উচ্ছেদৰ সয়সীমা ১৪ আগষ্টলৈ বৃদ্ধি কৰিছিল।

০০০০০০০০

উত্তৰ-পূব উন্নয়ন মন্ত্ৰালয়ে মঙলদৈ-মাজিকুছি সংযোগী পথ নিৰ্মাণত অনুমোদন জনাইছে। উত্তৰ-পূব বিশেষ আন্তঃগাঁথনি উন্নয়ন আঁচনিৰ অধীনত প্ৰায় ৪৫ কোটি ৩১ লাখ টকা ব্যয়েৰে ১৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই পথচোৰা নিৰ্মাণ কৰা হ ’ব। উত্তৰ-পূব উন্নয়ন মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এই পথচোৰাই দৰং আৰু ওদালগুৰি জিলাক পোনপটীয়াকৈ সংযোগ কৰিব আৰু মঙলদৈ আৰু ভেৰগাঁৱৰ মাজৰ দূৰত্ব ৭ দশমিক ২ কিলোমিটাৰ হ্ৰাস কৰিব।

০০০০০০০০

দেশৰ বিভিন্ন প্ৰান্তত আজি ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস পালন কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই খণ্ডৰ সৈতে জ ড়িত লোকসকলক শুভেচ্ছা জ্ঞাপন কৰে। হস্ততাঁত খণ্ডৰ জৰিয়তে নাগৰিকৰ

সৃষ্টিশীলতা প্ৰকাশ পাই বুলি তেওঁ কয়। নতুন দিল্লীত আয়োজিত কাৰ্যসূচীত কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰী গিৰিৰাজ সিঙে হস্ততাঁত খণ্ডত উল্লেখযোগ্য অৱদান আগবঢ়োৱা শিপিনীসকলক সন্ত কবিৰ হস্ততাঁত বঁটা আৰু ৰাষ্ট্ৰীয় হস্ততাঁত বঁটাপ্ৰদান কৰে। দেশৰ প্ৰায় ৬৫০গৰাকী শিপিনী, বিদেশী ক্ৰেতা, বিশিষ্ট ব্যক্তি আৰু জ্যেষ্ঠ চৰকাৰী বিষয়াসকলে এই সমাৰোহত অংশগ্ৰহণ কৰে। কেন্দ্ৰীয় বস্ত্ৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা আৰু বস্ত্ৰ মন্ত্ৰ্যালয়ৰ সচিব নীলম স্বামী ৰাও এই অনুষ্ঠানত অংশ লয়।

মন্ত্ৰী বিমল বৰাই আজি ৰাজ্যৰ হস্ততাঁত আৰু বস্ত্ৰশিল্প সন্দৰ্ভত ইউৰোপীয় সংঘৰ কেইবাগৰাকী বিষয়ববীয়াৰ সৈতে মত বিনিময় কৰে। এই দিৱসৰ সৈতে সংগতি ৰাখি হস্ততাঁত আৰু বস্ত্ৰ শিল্প সঞ্চালকালয়ৰ উদ্যোগত গুৱাহাটীৰ খানাপাৰাৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। হস্ততাঁত, বস্ত্ৰশিল্প আৰু ৰেচম বিভাগৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই এই অনুষ্ঠানত অংশ লৈ হস্ততাঁত খণ্ডত অৱদান আগব ঢ়োৱা ৰাজ্যৰ ভিন্ন প্ৰান্তৰ ৫০ গৰাকী শিপিনীক সন্মান আগবঢ়ায়।

মাজুলীৰ কমলাবাৰীৰ হস্ততাঁত আৰু বস্ত্ৰশিল্প অধীক্ষকৰ কাৰ্যালয়তো এই দিৱস উদযাপন কৰা হয়। জিলাখনৰ কেইবাগৰাকীও হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ সৈতে জ ড়িত ব্যক্তিক মানপত্ৰৰে সম্বৰ্ধনা জনোৱা হয়।

বাক্সা জিলাৰ খাৰুৱাজানত বিটিচিৰ হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ উদ্যোগত এই দিৱস পালন কৰা হয়। ব ড়োলেণ্ড মিছন ২০২৫ৰ অধীনত চাৰিটা গোটক অনুষ্ঠানটোত বঁটা প্ৰদান কৰা হয়।

০০০০০০০০

দুৰ্ঘটনা ৰোধ কৰাৰ লক্ষ্যৰে বিশ্বনাথ জিলা পৰিবহণ বিভাগে যান-বাহন আইন উলংঘাকাৰীৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ লৈছে। পৰিবহণ বিভাগে হেলমেট পৰিধান নকৰা মটৰচাইকেল আৰোহী অথবা চাৰিচকীয়া বাহনত ছিল্টবেল্ট ব্যৱহাৰ নকৰা চালকক জৰিমনা বিহিছে। চলিত বৰ্ষৰ এপ্ৰিল মাহৰ পৰা জুলাই মাহলৈ জিলা পৰিবহণ বিভাগে আইন উলংঘাকাৰীৰ বিৰুদ্ধে ই-চালান কাটি প্ৰায় ৭ কোটি ৯৫ লাখ টকাৰ ৰাজহ সংগ্ৰহ কৰিছে। সকলো চালককে যান-বাহন আইন মানি চলিবলৈ জিলা পৰিবহণ বিষয়া শৈলেন দাসে আহ্বান জনাইছে।

০০০০০০০০

আকাশবাণীৰ ৯০ বছৰীয়া বৰ্ণিল পৰিক্ৰমাক উদযাপন কৰাৰ উদ্দেশ্যে আকাশবাণী গুৱাহাটীৰ যুৱবাণী শাখাৰ উদ্যোগত কাইলৈ অসম ৰাজ্যিক সংগ্ৰহালয়ৰ কনকলাল বৰুৱা প্ৰেক্ষাগৃহত কেইটামান বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।কাইলৈ পুৱা চাৰে ৯ বজাৰ পৰা **আকাশবাণীৰ ৯০ বছৰ** শীৰ্ষক কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ 'ব। এই প্ৰতিযোগিতাত প্ৰচাৰণ সেৱাৰ গৌৰৱোজ্জ্বল ৯০ বছৰীয়া পৰিক্ৰমা আৰু অসম তথা আমাৰ দেশৰ বিভিন্ন ঠাইত থকা আকাশবাণী কেন্দ্ৰসমূহৰ সৈতে জড়িত প্ৰশ্নাৱলী থাকিব। বিশিষ্ট কুইজ পৰিচালক দীপাংকৰ

কৌশিক আৰু দিলীপ কুমাৰ শৰ্মাই এই প্ৰতিযোগিতা পৰিচালনা কৰিব। দুজনকৈ সদস্য থাকিবলগীয়া দলটো একেখন শৈক্ষিক প্ৰতিষ্ঠান অথবা ভিন্ন শৈক্ষিক প্ৰতিষ্ঠানৰো হ'ব পাৰে। কাইলৈ দুপৰীয়া ১ বজাৰ পৰা আকাশবাণীৰ ৯০ বছৰীয়া পৰিক্ৰমা ,ভাৰতৰ সাংস্কৃতিক ঐতিহ্য আৰু ঐতিহাসিক পৰম্পৰা ,ঘটনা-পৰিঘটনাক সামৰি অসমীয়াআকস্মিক বক্তৃতা প্ৰতিযোগিতাঅনুষ্ঠিত হ'ব। উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পৰা স্নাতকোত্তৰ পৰ্যায়লৈ শিক্ষাৰ্থীসকলে কুইজ আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতাত ভাগ ল'ব পাৰিব। বিজয়ীসকলক আকৰ্ষণীয় পুৰস্কাৰ প্ৰদান কৰাৰ লগতে আকাশবাণীৰ যুৱবাণীঅনুষ্ঠানত ভাগ ল'বলৈ আমন্ত্ৰণ জনোৱা হ 'ব।কাইলৈ বিয়লি ৪ বজাত, শেহতীয়াকৈ অনুষ্ঠিত আকাশবাণী গুৱাহাটীৰ যুৱবাণী শাখাৰ সংগীতৰ অডিচনত উত্তীৰ্ণ হোৱা সকলকো প্ৰমাণ পত্ৰ প্ৰদান কৰা হ'ব। কাইলৈ সন্ধিয়া চাৰে ৫ বজাৰ পৰা নতন প্ৰজন্মৰ ৰেডিঅ' অনুৰাগী যুৱক-যুৱতী সকলে দেশপ্ৰেমমূলক গীত, কবিতা, নৃত্যৰ এটি অনুষ্ঠান পৰিৱেশন কৰিব।

oooooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে দেশৰ ৭৯ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে কেইবাটাও বিশেষ অনুষ্ঠান প্ৰচাৰৰ দিহা কৰিছে।এনে অনুষ্ঠানসূচীৰ অংশ হিচাপে অহা ৯ আগষ্টৰ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত স্বাধীনতা সংগ্ৰামত অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ ভূমিকা শীৰ্ষক এটা বিশেষ আলোচনা প্ৰচাৰ কৰা হ'ব। এই আলোচনাত কেন্দ্ৰীয় চৰকাৰৰ প্ৰকাশন বিভাগে প্ৰকাশ কৰা বহু সমাদৃত ইংৰাজী গ্ৰন্থ –Untold Stories of the Freedom struggle from North East India ৰ ৰচক তথা বিশিষ্ট সাংবাদিক, নাগালেণ্ড বিশ্ববিদ্যালয়ৰ আচাৰ্য্য ড ° সমুদ্ৰ গুপ্ত কাশ্যপ আৰু আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ জ্যেষ্ঠ বাতৰি পৰিবেশিকা অৰুণিমা গোস্বামীয়ে অংশগ্ৰহণ কৰিব। আকাশবাণী গুৱাহাটীৰ মহাবাহু চেনেলযোগে প্ৰচাৰিত হ'বলগীয়া এই অনুষ্ঠানত আগ্ৰহী শ্ৰোতাই ফোনযোগে অংশগ্ৰহণ কৰিব পাৰিব। ফোন নম্বৰ দুটা হৈছে- 0361-2661876, 2662325।

oooooooo

সমাপ্ত